रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

**असाधारण**
**EXTRA ORDINARY**
**অসাধাৰণ**

**भाग VI - अनुभाग 1**
**PART VI - Section 1**
**ভাগ ৬ - অনুভাগ ১**

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 10 ] NEW DELHI, MONDAY, DECEMBER 24, 2018 / 3 PAUSA, 1940 (Saka) [ VOL : 12
নং ১০ ] নতুন দিল্লী, সোমবাৰ, ডিচেম্বৰ ২৪, ২০১৮ / ৩ পুহ, ১৯৪০ (শক) [ খণ্ড ঃ ১২

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

কেন্দ্ৰীয় শৈক্ষিক সংস্থা (ভৰ্ত্তিকৰণত সংৰক্ষণ) অধিনিয়ম, ২০০৬ (২০০৭ ৰ ৫)

৩ জানুৱাৰী, ২০০৭ তাৰিখে যথাবিদ্যমান

# কেন্দ্ৰীয় শৈক্ষিক সংস্থা (ভৰ্ত্তিকৰণত সংৰক্ষণ) অধিনিয়ম, ২০০৬

(২০০৭ৰ অধিনিয়ম সংখ্যা ৫)

## ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | পৃষ্ঠা |
| --- | --- |
| ১। সংক্ষিপ্ত নাম | ১ |
| ২। পৰিভাষা | ১ |
| ৩। কেন্দ্ৰীয় শৈক্ষিক সংস্থাত আসনৰ সংৰক্ষণ | ২ |
| ৪। অধিনিয়মখন কেতবোৰ ক্ষেত্ৰত প্ৰয়োগ কৰা নহব | ২ |
| ৫। আসনসমূহৰ বাধ্যতামূলক বৃদ্ধি | ২ |
| ৬। পঞ্জিকা বছৰ, ২০০৭ত আৰম্ভ হোৱা ভৰ্ত্তিকৰণত আসনৰ সংৰক্ষণ | ৩ |
| ৭। সংসদৰ সমক্ষত অধিসূচনা উত্থাপন কৰিব | ৩ |
| অনুসূচী | |

# কেন্দ্ৰীয় শৈক্ষিক সংস্থা (ভৰ্ত্তিকৰণত সংৰক্ষণ) অধিনিয়ম, ২০০৬

## (২০০৭ৰ সংখ্যা ৫)

[৩ জানুৱাৰী, ২০০৭]

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্থাপিত, পৰিচালনা বা সহায়তা কৰা কেতবোৰ কেন্দ্ৰীয় শৈক্ষিক সংস্থালৈ নাগৰিকসকলৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ অংশস্বৰূপ হোৱা শিক্ষাৰ্থীৰ ভৰ্ত্তিকৰণত সংৰক্ষণৰ বাবে আৰু তাৰ সৈতে সম্পৰ্কিত বা তালৈ আনুষঙ্গিক বিষয়সমূহৰ বাবে উপৱন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ সপ্তপঞ্চাশতম্ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপত ইয়াক অধিনিয়মিত কৰা হওঁক :-

সংক্ষিপ্ত নাম।১। এই অধিনিয়মখন কেন্দ্ৰীয় শৈক্ষিক সংস্থা (ভৰ্ত্তিকৰণত সংৰক্ষণ) অধিনিয়ম, ২০০৬ বুলি অভিহিত হ'ব।

পৰিভাষা। ২। এই অধিনিয়মখনত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, ——

(ক) ''শৈক্ষিক সত্ৰ'' মানে এটা পঞ্জিকা বছৰ বা তাৰ কোনো অংশৰ অৱধি যিটোৰ ভিতৰত এটা কেন্দ্ৰীয় শৈক্ষিক সংস্থা অধ্যয়নৰ কোনো শাখা বা শিক্ষা বিভাগৰ কোনো শাখাত অধ্যাপনা বা শিক্ষণৰ বাবে মুকলি থাকিব ;

(খ) ''বাৰ্ষিক অনুমতি প্ৰাপ্ত আসন সংখ্যা'' মানে এটা কেন্দ্ৰীয় শৈক্ষিক সংস্থালৈ শিক্ষাৰ্থী ভৰ্ত্তিকৰণৰ বাবে এটা সমুচিত প্ৰাধিকাৰীৰ দ্বাৰা প্ৰাধিকৃত অধ্যয়নৰ প্ৰত্যেক শাখাত বা শিক্ষা বিভাগত অধ্যাপনা বা শিক্ষণৰ বাবে কোনো পাঠ্যক্ৰম বা কৰ্ম্মসূচীত থকা আসনৰ সংখ্যা ;

(গ) ''সমুচিত প্ৰাধিকাৰী'' মানে কোনো কেন্দ্ৰীয় শৈক্ষিক সংস্থাত উচ্চশিক্ষাৰ মানদণ্ডৰ অৱধাৰণ, সমন্বয় বা ৰক্ষণৰ বাবে এখন কেন্দ্ৰীয় অধিনিয়মৰ দ্বাৰা বা অধীনত স্থাপিত বিশ্ববিদ্যালয় অনুদান আয়োগ, ভাৰতীয় উকীল পৰিষদ, ভাৰতীয় চিকিৎসা পৰিষদ, সৰ্ব্বভাৰতীয় প্ৰযুক্তি বিজ্ঞান সম্পৰ্কীয় শিক্ষা বা কোনো আন প্ৰাধিকাৰ বা নিকায় ;

(ঘ) ''কেন্দ্ৰীয় শৈক্ষিক সংস্থা'' মানে ——

(i) এখন কেন্দ্ৰীয় অধিনিয়মৰ দ্বাৰা বা অধীনত স্থাপিত বা নিগমিত এখন বিশ্ববিদ্যালয় ;

(ii) সংসদৰ এখন অধিনিয়মৰ দ্বাৰা স্থাপিত ৰাষ্ট্ৰীয় গুৰুত্বৰ এটা সংস্থা ;

১৯৫৬ৰ ৩ (iii) বিশ্ববিদ্যালয় অনুদান আয়োগ অধিনিয়ম, ১৯৫৬ৰ ধাৰা ৩ৰ অধীনত এখন ডীমড্ বিশ্ববিদ্যালয় হিচাবে ঘোষণা কৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত বা সাহাৰ্য্যপ্ৰাপ্ত এটা সংস্থা ;

(iv) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰত্যক্ষভাৱেই হওঁক বা পৰোক্ষভাৱেই হওঁক পৰিচালিত আৰু খণ্ড (i) বা খণ্ড (ii) ত নিৰ্দ্দেশিত কোনো সংস্থাত শাখাভুক্ত কোনো সংস্থা বা খণ্ড (iii) ত নিৰ্দ্দেশিত সংস্থাৰ এটা সাংবিধানিক একক ;

১৮৬০ৰ ২১ (v) সমাজ পঞ্জীয়নকৰণ অধিনিয়ম, ১৮৬০ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্থাপিত কোনো শৈক্ষিক সংস্থা ;

(ঙ) ''শিক্ষা বিভাগ'' মানে এটা কেন্দ্ৰীয় শৈক্ষিক সংস্থাৰ শিক্ষা বিভাগ ;

(চ) ''সংখ্যালঘু শৈক্ষিক সংস্থা'' মানে সংবিধানৰ অনুচ্ছেদ ৩০ৰ খণ্ড (i)ৰ অধীনত সংখ্যালঘুৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু প্ৰশাসিত এটা সংস্থা আৰু সংসদৰ এখন অধিনিয়মৰ দ্বাৰা বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এনেদৰে ঘোষণা কৰা বা ৰাষ্ট্ৰীয় সংখ্যালঘু শৈক্ষিক সংস্থাৰ আয়োগ অধিনিয়ম, ২০০৪ৰ অধীনত এখন সংখ্যালঘু শৈক্ষিক সংস্থা ৰূপে ঘোষণা কৰা এটা সংস্থা ;

(ছ) ''অন্যান্য পিচপৰা শ্ৰেণী'' মানে নাগৰিকৰ শ্ৰেণী বা শ্ৰেণীসমূহ যিবোৰ সামাজিক বা শিক্ষাগতভাৱে পিচপৰা, আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এনেদৰে নিৰ্দ্ধাৰণ কৰা হয় :

(জ) ''অনুসূচিত জাতি'' মানে সংবিধানৰ অনুচ্ছেদ ৩৪১ৰ অধীনত অধিসূচিত অনুসূচিত জাতি ;

(ঝ) ''অনুসূচিত জনজাতি'' মানে সংবিধানৰ অনুচ্ছেদ ৩৪২ৰ অধীনত অধিসূচিত অনুসূচিত জনজাতি ;

(ঞ) ''অধ্যয়নৰ কোনো শাখাত অধ্যাপনা বা শিক্ষণ'' মানে স্নাতক (প্ৰাক স্নাতক), মাষ্টাৰচ (স্নাতকোত্তৰ) আৰু ডক্টৰেট স্তৰৰ অৰ্হতাৰ তিনি মুখ্য স্তৰৰ মাৰ্গদৰ্শন কৰা অধ্যয়নৰ এটা শাখাত অধ্যাপনা আৰু শিক্ষণ ;

কেন্দ্ৰীয় শৈক্ষিক সংস্থাত আসনৰ সংৰক্ষণ।

৩। এটা কেন্দ্ৰীয় শৈক্ষিক সংস্থাত ভৰ্ত্তিকৰণত আসনৰ সংৰক্ষণ আৰু ইয়াৰ বিস্তাৰ নিম্নলিখিত ৰীতিত উপৰন্ধিত কৰা হ'ব অৰ্থাৎ ঃ —

(i) অধ্যয়ন বা শিক্ষা বিভাগৰ প্ৰত্যেক শাখাত বাৰ্ষিক অনুমতিপ্ৰাপ্ত আসন সংখ্যাৰ ভিতৰত পোন্ধৰ শতাংশ আসন অনুসূচিত জাতিৰ বাবে সংৰক্ষণ কৰা হ'ব ;

(ii) অধ্যয়ন বা শিক্ষা বিভাগৰ প্ৰত্যেক শাখাত বাৰ্ষিক অনুমতিপ্ৰাপ্ত আসন সংখ্যাৰ ভিতৰত, সাৰে সাত শতাংশ আসন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষণ কৰা হ'ব ;

(iii) অধ্যয়ন বা শিক্ষা বিভাগৰ প্ৰত্যেক শাখাত বাৰ্ষিক অনুমতি প্ৰাপ্ত আসন সংখ্যাৰ ভিতৰত সাতাইশ শতাংশ আসন আন পিচপৰা শ্ৰেণীৰ বাবে সংৰক্ষণ কৰা হ'ব ;

অধিনিয়মখন কেতবোৰ ক্ষেত্ৰত প্ৰয়োগ কৰা নহব।

৪। এই অধিনিয়মৰ ধাৰা ৩ৰ উপৰন্ধাৱলী নিম্নলিখিতসমূহলৈ প্ৰযোজ্য নহব ——

(ক) সংবিধানৰ ষষ্ঠ অনুসূচীত নিৰ্দ্দেশিত জনজাতি এলেকাত স্থাপিত এখন কেন্দ্ৰীয় শৈক্ষিক সংস্থা ;

(খ) এই অধিনিয়মৰ অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা উৎকৃষ্ট মানৰ সংস্থা, গৱেষণা সংস্থা, ৰাষ্ট্ৰীয় আৰু ৰণকৌশলীয় গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে যিদৰে আৰু যেতিয়া আৱশ্যক বিবেচনা কৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, অনুসূচী সংশোধন কৰিব পাৰে ;

(গ) এই অধিনিয়মত পৰিভাষিত এটা সংখ্যালঘু শৈক্ষিক সংস্থা ;

(ঘ) অধ্যয়ন বা শিক্ষা বিভাগৰ কোনো শাখাৰ ভিতৰত, ডক্টৰেট্ ডিগ্ৰীৰ পিছৰ স্তৰক অৰ্ন্তভুক্ত কৰি, উচ্চ স্তৰৰ বিশিষ্ট জ্ঞানৰ কোনো কাৰ্য্যক্ৰম বা পাঠ্যক্ৰম যিটো কেন্দ্ৰীয় চৰকাৰে সমুচিত প্ৰাধিকাৰীৰ পৰামৰ্শত, বিনিৰ্দ্দিষ্ট কৰিব পাৰে।

আসনসমূহৰ বাধ্যতামূলক বৃদ্ধি ।

৫। (১) ধাৰা ৩ৰ খণ্ড (iii)ত আৰু সম্প্ৰতি বলবৎ থকা আন বিধিত কোনো কথা থকা সত্ত্বেও প্ৰত্যেক কেন্দ্ৰীয় শৈক্ষিক সংস্থাই সমুচিত প্ৰাধিকাৰীৰ পূৰ্ব অনুমোদনসহ, ইয়াৰ বাৰ্ষিক অনুমতিপ্ৰাপ্ত আসন সংখ্যাৰ অধিক, অধ্যয়ন বা শিক্ষা বিভাগত কোনো শাখাত আসনৰ সংখ্যা বৃদ্ধি কৰিব, যাতে আসনৰ সংখ্যা, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু আন পিচপৰা শ্ৰেণীৰ অন্তৰ্গত ব্যক্তিসকলৰ বাবে এনেদৰে সংৰক্ষিত কৰা আসনসমূহক বাদ দি, এই অধিনিয়মত বলবৎ হোৱা তাৰিখৰ অব্যৱহিত পূৰ্ব্বে শৈক্ষিক সত্ৰৰ বাবে প্ৰাপ্তি সাধ্য এনে আসনৰ সংখ্যা কম নহয়।

(২) য'ত কোনো কেন্দ্ৰীয় শৈক্ষিক সংস্থাৰ দ্বাৰা কৰা এটা চুপাৰিছৰ ওপৰত, কেন্দ্ৰীয় চৰকাৰে, সমুচিত প্ৰাধিকাৰীৰ সৈতে পৰামৰ্শ কৰি সন্তুষ্ট হয় যে বিত্তীয়, তাত্বিক বা শৈক্ষিক পৰিসীমাৰ কাৰণৰ বাবে বা শিক্ষাৰ মানদণ্ড ৰক্ষণৰ বাবে, এনে সংস্থাৰ অধ্যয়ন বা শিক্ষা বিভাগৰ কোনো শাখাত বাৰ্ষিক অনুমতিপ্ৰাপ্ত আসন সংখ্যা এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পিচত শৈক্ষিক সত্ৰৰ বাবে বৃদ্ধি কৰিব পৰা নাযায়, তেন্তে ই চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পিচত শৈক্ষিক সত্ৰৰ প্ৰাৰম্ভণৰ তিনিবছৰৰ অধিকতম এটা অৱধিত বাৰ্ষিক অনুমতিপ্ৰাপ্ত আসন সংখ্যা বৃদ্ধি কৰিবলৈ এনে সংস্থাক অনুমতি দিব পাৰে, আৰু তেতিয়া ধাৰা ৩ৰ খণ্ড (iii)ত উপৰন্ধিত দৰে আন পিচপৰা শ্ৰেণীসমূহৰ বাবে সংৰক্ষণৰ বিস্তৃতি এনে ৰীতিত সেই শৈক্ষিক সত্ৰৰ বাবে পৰিসীমিত হ'ব যে প্ৰত্যেক শিক্ষাসত্ৰৰ বাবে আন পিচপৰা শ্ৰেণীসমূহলৈ সহজলভ্য হোৱা আসনৰ সংখ্যা প্ৰত্যেক বৰ্ষৰ বাবে অনুমতিপ্ৰাপ্ত আসন সংখ্যাৰ বৃদ্ধিৰ অনুৰূপ হয়।

পঞ্জিকা বছৰ, ২০০৭ত আৰম্ভ হোৱা নাম ভৰ্ত্তিকৰণত আসনৰ সংৰক্ষণ ।

৬। কেন্দ্ৰীয় শৈক্ষিক সংস্থাই, পঞ্জিকা বছৰ, ২০০৭ত আৰু তাৰ পৰা প্ৰাৰম্ভ হোৱা ইয়াৰ শিক্ষা সত্ৰত নাম ভৰ্ত্তিকৰণত আসনৰ সংৰক্ষণৰ প্ৰয়োজনাৰ্থে, এই অধিনিয়মৰ ধাৰা ৩, ৪ আৰু ৫ৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে অপেক্ষিত হোৱা সকলো আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব।

সংসদৰ সমক্ষত অধিসূচনা উত্থাপন কৰিব ।

৭। এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক অধিসূচনা ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিৱেশন চলি থকা সময়ত এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব, আৰু যদিহে উপৰোক্ত অধিৱেশনৰ অব্যৱহিত পৰৱৰ্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশনসমূহৰ অৱসানৰ পূৰ্বে উভয় সদনে অধিসূচনাত কোনো সাল-সলনি কৰিবলৈ সম্মত হয়বা উভয় সদনে সম্মত হয় যে অধিসূচনা প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰপিছত অধিসূচনাখন কেৱল এনে সাল-সলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱী নহব , সেয়েহলেও এনে সাল-সলনি বা ৰদ্‌কৰণ সেই অধিসূচনাৰ অধীনত পূৰ্ব্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব ।

## অনুসূচী

**[ধাৰা ৪(খ) চাওঁক]**

| ক্ৰমিক নং | উৎকৃষ্ট মানৰ সংস্থাসমূহৰ নাম, ইত্যাদি |
|---|---|

১। হোমী ভাভা ৰাষ্ট্ৰীয় সংস্থা, মোম্বাই আৰু ইয়াৰ সাংগাঠনিক একক অৰ্থাৎ ঃ-

(i) ভাভা পাৰমাণৱিক গৱেষণা কেন্দ্ৰ, ট্ৰম্বৰে ;

(ii) ইন্দিৰা গান্ধী পাৰমাণৱিক গৱেষণা কেন্দ্ৰ, কল্পক্কাম ;

(iii) ৰাজা ৰামান্না উন্নত প্ৰযুক্তি বিজ্ঞান কেন্দ্ৰ, ইন্দোৰ ;

(iv) প্লাচমা গৱেষণাৰ সংস্থা, গান্ধীনগৰ ;

(v) ভিন্ন শক্তি চক্ৰযুক্ত কেন্দ্ৰ, ক'লকাতা ;

(vi) পৰমাণু পদাৰ্থ বিজ্ঞান সংস্থা, ক'লকাতা ;

(vii) পদাৰ্থ বিজ্ঞান সংস্থা, ভুৱনেশ্বৰ ;

(viii) গাণিতিক বিজ্ঞান সংস্থা, চেন্নাই ;

(ix) হৰিশ চন্দ্ৰ গৱেষণা সংস্থা, এলাহাবাদ ;

(x) টাটা স্মৃতিসূচক কেন্দ্ৰ, মোম্বাই ;

২। টাটা মৌলিক গৱেষণা সংস্থা, মোম্বাই ;

৩। উত্তৰ পূৱ ইন্দিৰা গান্ধী স্বাস্থ্য আৰু চিকিৎসা বিজ্ঞান সংস্থা, শ্বিলং ।

৪। ৰাষ্ট্ৰীয় মস্তিষ্ক গৱেষণা কেন্দ্ৰ, মানেশ্বৰ, গুৰগাওঁ ।

৫। জৱহৰলাল নেহৰু উচ্চ বিজ্ঞান কেন্দ্ৰ, বেঙ্গলুৰ ।

৬। ভৌতিক গৱেষণা পৰীক্ষাগাৰ, আহমেদাবাদ ।

৭। মহাকাশ পদাৰ্থ বিজ্ঞান পৰীক্ষাগাৰ, থিৰুৱনানথাপুৰম ।

৮। ভাৰতীয় ৰিমোট চেনচিং সংস্থা, ডেহৰাদুন ।

ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় শৈক্ষিক সংস্থা (ভৰ্ত্তিকৰণত সংৰক্ষণ) অধিনিয়ম, ২০০৬ (২০০৭ ৰ অধিনিয়ম সংখ্যা ৫)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০) ।

সচিব, ভাৰত চৰকাৰ

নতুন দিল্লী
তাৰিখ ঃ

The above translation in Assamese of The Central Educational Institutions (Reservation in Admission) Act, 2006. (Act No. 5 of 2007) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

G. NARAYANA RAJU,
Secretary to the Govt. of India.

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ২৪-১২-১৮